# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৫/২০২০

## চৰকাৰী বিদ্যালয়ত তিনি লাখতকৈও অধিক ভুৱা শিশু চিনাক্তকৰণ

## দোষীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৬ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত সমগ্ৰ শিক্ষা অভিযান, অসমৰ পৰ্যালোচনা কৰে। উক্ত পৰ্যালোচনা বৈঠকত ২০১৮-১৯ শৈক্ষিক বৰ্ষৰ সকলো চৰকাৰী আৰু প্ৰাদেশিকৃত বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সৰ্বমুঠ ৪৬৬৯৯৭০ নামভৰ্ত্তি প্ৰদৰ্শন কৰা হয় যিটো ২০১৬-১৭ বৰ্ষৰ ৪৯৮২১৮০ নামভৰ্ত্তিতকৈ কম। বৈঠকত মুখ্যমন্ত্ৰীক অৱগত কৰোৱা হয় যে ৩.১২ লাখতকৈও অধিক ভুৱা শিশুৰ নাম পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত পঞ্জীয়ন কৰাটো চিনাক্তকৰণ কৰা হৈছে।

পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত চৰকাৰী বিদ্যালয় সমূহত এই ভুৱা ছাত্ৰ-ছাত্ৰীসকলৰ নামত পাঠ্যপুথি, মধ্যাহ্ন ভোজন, ইউনিফৰ্ম ইত্যাদিৰ বাবে বৃহৎ ৰাজহুৱা পুঁজি ব্যয় কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই দুৰ্নীতিৰ দিশত কঠোৰ স্থিতি গ্ৰহণ কৰি ইয়াৰ লগত জড়িত থকা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি কয়।

বৈঠকত এইটো উল্লেখ কৰা হয় যে সৰ্বমুঠ ৮৬০৯৪ গৰাকী স্কুলত নামভৰ্ত্তি নকৰা ছাত্ৰ-ছাত্ৰী শিক্ষা বিভাগৰ দ্বাৰা চিনাক্তকৰণ কৰা হৈছে আৰু ২০১৯ বৰ্ষৰ ডিচেম্বৰলৈকে ইয়াৰে ৬৩৪০৬ গৰাকী শিশুক আনুষ্ঠানিক শিক্ষাৰ অধীনলৈ অনা হৈছে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ এইটো এক বৃহৎ সাফল্য। কাৰণ এই অৱহেলিত শিশু সকলে আনুষ্ঠানিক শিক্ষা লাভৰ পৰা ইমানদিনে বঞ্চিত হৈ আছিল আৰু বিভিন্ন খণ্ডত তেওঁলোকক শিশু শ্ৰমিক হিচাপে নিয়োজিত হৈ আছিল। এই পদক্ষেপে ৰাজ্যখনৰ মানৱ সম্পদৰ অপচয় ৰোধ কৰিলে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে ৰাজ্যখনৰ চৰকাৰী বিদ্যালয় সমূহত বিদ্যায়তনিক দিশত সামগ্ৰিক উত্তৰণ, বিদ্যালয়ত স্বচ্ছতা বজাই ৰখা, ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সম্ভাৱনীয়তা পূৰ্ণ বিকশাই তোলাৰ দিশত উৎসাহিত কৰা, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বাবে মুখ্যমন্ত্ৰীৰ বিশেষ শিক্ষক বঁটা প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিদ্যালয় সমূহৰ সামগ্ৰিক উত্তৰণৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত শিক্ষক-শিক্ষয়িত্ৰী সকলে আৰু অধিক নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ দিশত এই বঁটা অনুপ্ৰাণিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে চৰকাৰী বিদ্যালয় সমূহক বিভিন্ন মাপাংকৰ আধাৰত ৰেংকিং প্ৰদানৰ এক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও আজিৰ বৈঠকত কয়।

ৰাজ্যখনৰ ৪৩৭৯ খন ছেকেণ্ডাৰী বিদ্যালয় (দশম অথবা দ্বাদশ পৰ্যায়লৈ) লৈ ক্ৰীড়া আৰু শাৰীৰিক শিক্ষা অনুদানৰ ২৫ হাজাৰ টকাকৈ ৰাজ্যিক পৰ্যায়ৰ এক অনুষ্ঠানৰ জৰিয়তে ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত প্ৰদান কৰা হ'ব বুলি কোৱাৰ লগতে বাৰ্ষিক কম্পোজিত স্কুল অনুদান ১ লাখ টকালৈকে এই অনুষ্ঠানতে প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীক অৱগত কৰা হয় যে ৰাজ্যখনৰ ৯১৬৬ খন চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ত ছাত্ৰীৰ বাবে আত্মৰক্ষাৰ তিনিমহীয়া প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আৰু অধিক ছাত্ৰীক যাতে এই প্ৰশিক্ষণৰ দ্বাৰা সামৰি ল'ব পৰা যায় তাৰ বাবে আৰু অধিক বিদ্যালয়ত এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ বাবে শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকতে চাহ বাগিচা এলেকাত ১০০ খন বিদ্যালয়ৰ প্ৰাদেশীকৰণৰ বিষয়েও আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে শিক্ষা বিভাগৰ জ্যেষ্ঠ বিষয়া সকলক বিদ্যালয় সমূহ নিয়মীয়াভাবে পৰিদৰ্শন কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বিদ্যালয় সমূহৰ বিদ্যুতৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ আৰ্হিত ৰাজ্যখনৰ কিছু সংখ্যক বিদ্যালয়ত পাইলট প্ৰকল্প আকাৰে সৌৰ শক্তিৰ পেনেল স্থাপন কৰাৰ সম্ভাৱনীয়তাৰ বিষয়ে পৰ্যালোচনা কৰাৰ বাবেও শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াৰ লগতে শিক্ষা বিভাগৰ জ্যেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ**
**৬/১/২০২০**